सत्यमेव जयते
Government of Assam
অসম চৰকাৰ

বাস্তৱ হ'ল আমাৰ সংকল্প
সামাজিক ন্যায়ৰ যাত্ৰা অবিৰত





PRANAM

অৱহেলিত পিতৃ-মাতৃ তথা
দিব্যাংগ ভাতৃ-ভগ্নীক আৰ্থিক সুৰক্ষা দিয়াৰ বাবে

# “অসম কৰ্মচাৰী ‘প্ৰণাম’ আইন ২০১৭”

বিত্ত বিভাগ, অসম চৰকাৰ

# অসম কৰ্মচাৰী পিতৃ-মাতৃৰ দায়িত্ব আৰু দায়বদ্ধতা আৰু পৰ্যবেক্ষণ (PRANAM) আইন, ২০১৭ বা অসমৰ কৰ্মচাৰীৰ প্ৰণাম (PRANAM) আইন, ২০১৭

## পাতনি

ভাৰতীয় সমাজখনে প্ৰাচীন কালৰে পৰা চহকী আদৰ্শ আৰু মূল্যবোধ উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছে আৰু পিতৃ-মাতৃ হৈছে ভগৱানৰ সমতুল্য। পৰিয়াল ব্যৱস্থাত পিতৃ-মাতৃৰ প্ৰতি সন্মান প্ৰদৰ্শন তথা সেৱা প্ৰদান হৈছে সন্তানৰ বাবে এক প্ৰধান বাধ্যবাধকতা আৰু ৰাজ্যখনৰ অধিকসংখ্যক পৰিয়ালেই কম-বেছি পৰিমাণে এইটো মানি চলে।

অৱশ্যে, আধুনিক সমাজ ব্যৱস্থাত একক পৰিয়ালৰ বৰ্দ্ধিত সচলতা আৰু বিকাশৰ পৰিপ্ৰেক্ষিতত সন্তানৰ দ্বাৰা তেওঁলোকৰ নিৰ্ভৰশীল পিতৃ-মাতৃক অৱহেলা কৰাৰ উদাহৰণ পৰিলক্ষিত হৈছে আৰু সেয়েহে পৰিয়ালসমূহত মূল্যবোধ নতুনকৈ প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

পেঞ্চন আৰু পৰিয়াল পেঞ্চন পৰিচালনা কৰা নীতিসমূহে যথোচিতভাৱে প্ৰতিপন্ন কৰিছে যে এগৰাকী কৰ্মচাৰীৰ বাবে তেওঁৰ পৰিয়ালটো হৈছে এৰাব নোৱৰা অংগ, যিটোৱে তেওঁৰ দৰমহা আৰু অৱসৰকালীন লাভালাভৰ ওপৰত দাবী উত্থাপন কৰে। কৰ্মচাৰী এগৰাকীৰ নিৰ্ভৰশীল পিতৃ-মাতৃ হৈছে এনে পৰিয়াল ব্যৱস্থাৰ অবিচ্ছেদ্য অংগ আৰু সেয়েহে এনে নিৰ্ভৰশীল পিতৃ-মাতৃসকল তথা দিব্যাংগ সহোদৰসকলৰ প্ৰতি অৱহেলা প্ৰদৰ্শন কৰা কৰ্মচাৰীসকলৰ মাজত কেতবোৰ নিৰ্দিষ্ট বিধি ব্যৱস্থাৰ জৰিয়তে এক নৈতিকতা প্ৰতিষ্ঠা কৰাটো সমীচীন হ'ব বুলি অনুভৱ কৰা হৈছে, যাতে প্ৰতিগৰাকী কৰ্মচাৰীয়ে সমাজত এক আদৰ্শৱান ভূমিকা গ্ৰহণ কৰিব পাৰে।

ওপৰত উল্লেখ কৰা প্ৰসংগত, অসমৰ মাননীয় বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০১৭-১৮ বৰ্ষৰ তেওঁৰ বাজেট ভাষণৰ দফা ১১১ত তলত দিয়াধৰণে ঘোষণা কৰিছে—

'.......বয়োজ্যেষ্ঠ লোকৰ এই বৰ্দ্ধিত জনসংখ্যালৈ এই সেৱা কেৱল আনুষ্ঠানিক উৎসৰ দ্বাৰাই নহয়, পৰিয়াল গাঁথনিৰ জৰিয়তেও আগবঢ়োৱাৰ প্ৰয়োজন হ'ব। এই প্ৰক্ৰিয়াটো আৰম্ভ কৰিবলৈ আমি তেনে পৰিয়াল ভিত্তিক দায়বদ্ধতাক বিধায়িনী আওতাৰ অধীন কৰিবলৈ বিচাৰিছো। চৰকাৰী/চৰকাৰী প্ৰতিষ্ঠান/ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান/কোম্পানীৰ কৰ্মচাৰীসকলে তেওঁলোকৰ বৃদ্ধ পিতৃ-মাতৃক আকাংক্ষিতভাৱে যত্ন ল'ব বুলি আশা কৰা হৈছে। এই দায়িত্ব পালন নকৰিলে প্ৰস্তাৱিত বিধানে এইটো বাধ্যতামূলক কৰিব যে তেওঁলোকৰ পিতৃ-মাতৃক প্ৰদান কৰাৰ বাবে তেনে কৰ্মচাৰীসকলৰ দৰমহাৰ পৰা এটা নিৰ্দিষ্ট অংশ কাটি ৰখা হ'ব। সমাজ কল্যাণ বিভাগে বছৰ দিয়েকৰ ভিতৰতে এইক্ষেত্ৰত প্ৰয়োজনীয় বিধেয়ক আনিব। মই ভাবো যে আমাৰ বয়োজ্যেষ্ঠ লোকসকলৰ প্ৰতি এয়া হ'ব এক যথোচিত সন্মান।'

## আইনখনৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ

- ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰীকে এই আইনখনৰ দ্বাৰা সামৰি লোৱা হ'ব। তদুপৰি, ৰাজ্যখনত কামকাজ চলাই থকা যিকোনো প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলকো সামৰি লোৱাৰ বাবে ৰাজ্য চৰকাৰে জাননী জাৰি কৰিব পাৰিব।
- ৰাজ্য চৰকাৰৰ প্ৰতিগৰাকী কৰ্মচাৰীয়ে পিতৃ-মাতৃ/দিব্যাংগ সহোদৰৰ যত্ন লোৱাৰ বাবে দায়বদ্ধ আৰু এইক্ষেত্ৰত যিকোনো বিচ্যুতি ঘটিলে আইনখনৰ ব্যৱস্থা অনুসৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব।
- এগৰাকী কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰশীল পিতৃ-মাতৃ উভয়ে বা যিকোনো এজনে বা নিৰ্ভৰশীল দিব্যাংগ সহোদৰে তেওঁলোকক প্ৰদান কৰিবলগীয়া কৰ্মচাৰীগৰাকীৰ দৰমহাৰ নিৰ্দিষ্ট অংশটো মাহিলী ভিত্তিত আহৰণ আৰু বিতৰণকাৰী বিষয়াৰ জৰিয়তে পোনপটীয়াকৈ প্ৰদান কৰাৰ বাবে আবেদন কৰিব পাৰে।

- এগৰাকী কৰ্মচাৰীৰ দৰমহাৰ নিৰ্দিষ্ট অংশ বিচাৰি নিৰ্ভৰশীল ক্ষুব্ধ পিতৃ-মাতৃ/দিব্যাংগ বা ভগ্নী সকলে দাখিল কৰা আবেদন বিবেচনা কৰিবলৈ প্ৰতিটো বিভাগতে এক মনোনীত কৰ্তৃপক্ষ আৰু আপীল কৰ্তৃপক্ষৰ বাবে অধিসূচনা জাৰি কৰিবলৈ এই আইনখনে ৰাজ্য চৰকাৰক ক্ষমতা প্ৰদান কৰিছে। তেওঁলোকে এই আবেদনসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত নিষ্পত্তি কৰিব লাগিব আৰু এই ক্ষেত্ৰত বিফল হ'লে তেওঁলোকে জৰিমনা ভৰিব লাগিব। দ্বিতীয় আপীল কৰ্তৃপক্ষ হৈছে ৰাজ্য চৰকাৰ প্ৰণাম আয়োগ।
- দৰমহাৰ এই নিৰ্দিষ্ট কৰা অংশটো কৰ্মচাৰীজনক প্ৰদান কৰা মাহেকীয়া মুঠ দৰমহাৰ ১০ শতাংশলৈ আৰু ব্যতিক্ৰমী ক্ষেত্ৰত ১৫ শতাংশলৈকে দিবৰ বাবে প্ৰস্তাৱ কৰা হৈছে।
- এই আবেদনসমূহ বিবেচনা কৰাৰ সময়ত এই কৰ্তৃপক্ষসমূহে অৰ্ধন্যায়িক কৰ্তৃপক্ষৰ ভূমিকা পালন কৰিব।
- মনোনীত আৰু আপীল কৰ্তৃপক্ষৰ বিৰুদ্ধে উত্থাপিত এই সন্দৰ্ভত অভিযোগসমূহৰ বিষয়ে অনুসন্ধান কৰিবলৈ ৰাজ্য চৰকাৰে ক্ষমতা আৰু কাৰ্যাৱলীৰে এই আইনৰ অধীনত অসম ৰাজ্যিক কৰ্মচাৰীৰ প্ৰণাম আয়োগ গঠন কৰিছে আৰু ই তেওঁলোকৰ ওপৰত জৰিমনা বিহিব পাৰে। এই আয়োগ হ'ব ঊৰ্দ্ধতন কৰ্তৃপক্ষ আৰু ইয়াৰ আদেশসমূহ চূড়ান্ত হিচাপে বিবেচিত হ'ব আৰু এই আইনৰ অধীনৰ সকলো কৰ্তৃপক্ষৰ বাবে বাধ্যতামূলক হ'ব।

২০১৯ বৰ্ষৰ ১৮ ফেব্ৰুৱাৰীত জাৰি কৰা এফ ই বি.২৯৭/২০১৭/পি টি-১/১০১ [No. FEB.297/2017/Pt.-I/101 dated Dispur, 18th February, 2019] নম্বৰ অধিসূচনা মৰ্মে প্ৰণাম আয়োগ গঠন কৰি ২০১৯ বৰ্ষৰ ২৬ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হৈছে। (এই আইনখন আৰু নিয়মাৱলীৰ এটা প্ৰতিলিপি ইয়াৰ সৈতে সংলগ্ন কৰা হৈছে)

## সঘনে সোধা প্ৰশ্নসমূহ

**(হিতাধিকাৰীসকলৰ বাবে ই হ'ল এক সহজবোধ্য আহিলা আৰু তেওঁলোকক এই আইন/নীতিসমূহ মানি চলিবলৈ পৰামৰ্শ দিয়া হ'ল)**

**(১) প্ৰণাম আইন (PRANAM Act) কি?**

'The Assam Employees' Parents Responsibility and Norms for Accountability and Monitoring Act, 2017, চমুকৈ "অসমৰ কৰ্মচাৰীসকলৰ প্ৰণাম আইন, ২০১৭"ৰ অধীনত ৰাজ্য চৰকাৰ/চৰকাৰী প্ৰতিষ্ঠান/ৰাজ্যিক/ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান/কোম্পানী আইন, ১৯৫৬ (আজিলৈকে সংশোধিত)এ পৰিভাষিত কৰা অনুসৰি এটা চৰকাৰী কোম্পানী আৰু আন কোনো প্ৰতিষ্ঠান বা নিকায়, যিবোৰ সন্নিৱিষ্ট হওঁকেই বা নহওঁকেই য'ত এইবোৰৰ অংশীদাৰিত্ব নাইবা অন্যান্য মূলধনত ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণ আছে নাইবা প্ৰত্যক্ষভাৱে অথবা ইয়াৰ মনোনীত লোকৰ জৰিয়তে এইবোৰৰ কাম-কাজৰ ওপৰত ৰাজ্য চৰকাৰৰ যথেষ্ট নিয়ন্ত্ৰণ আছে, তাৰ কৰ্মচাৰীসকল তেওঁলোকৰ পিতৃ-মাতৃ আৰু দিব্যাংগ সহোদৰসকলৰ প্ৰতিপালনৰ প্ৰতি দায়বদ্ধ হ'ব।

**(২) "প্ৰণাম আইন" কিয় প্ৰয়োজন?**

সন্তানসকলে তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পিতৃ-মাতৃ তথা দিব্যাংগ সহোদৰসকলৰ প্ৰতিপালনৰ ক্ষেত্ৰত এই আইনৰ প্ৰয়োজনীয়তা আছে। এই আইনখনে পৰিয়াল ব্যৱস্থাটো শক্তিশালী কৰাৰ লগতে কৰ্মচাৰীসকলক তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পিতৃ-মাতৃ আৰু দিব্যাংগ সহোদৰসকলৰ প্ৰতি দায়িত্ব পালনেৰে এক আদৰ্শবান ব্যক্তি হিচাপে প্ৰতিষ্ঠা হোৱাত সহায় কৰিব।

**(৩) প্ৰণাম আইনে কাক সামৰি ল'ব?**

এই আইনৰ অধীনত নিৰ্ভৰশীল দিব্যাংগ সহোদৰসকল আৰু নিৰ্ভৰশীল পিতৃ-মাতৃসকলক উপকৃত কৰাৰ প্ৰয়াস কৰা হৈছে। এই আইনখনে ৰাজ্য চৰকাৰ/চৰকাৰী প্ৰতিষ্ঠান/ৰাজ্যিক/ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান/কোম্পানী আইন, ১৯৫৬ (আজিলৈকে সংশোধিত)এ পৰিভাষিত কৰা অনুসৰি এটা চৰকাৰী কোম্পানী আৰু আন কোনো প্ৰতিষ্ঠান বা নিকায়, যিবোৰ সন্নিৱিষ্ট হওঁকেই বা নহওঁকেই য'ত এইবোৰৰ অংশীদাৰিত্ব নাইবা অন্যান্য মূলধনত ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণ আছে নাইবা প্ৰত্যক্ষভাৱে অথবা ইয়াৰ মনোনীত লোকৰ জৰিয়তে এইবোৰৰ কাম-কাজৰ ওপৰত ৰাজ্য চৰকাৰৰ যথেষ্ট নিয়ন্ত্ৰণ আছে, তাৰ কৰ্মচাৰীসকলে তেওঁলোকৰ পিতৃ-মাতৃ আৰু দিব্যাংগ সহোদৰসকলৰ ভৰণ-পোষণৰ দিয়াটো বাধ্যতামূলক কৰিব।

**(৪) প্ৰণাম আইনৰ অধীনত কোনে অভিযোগ পঞ্জীয়ন কৰিব পাৰিব?**

প্ৰণাম আইনৰ অধীনত ৰাজ্য চৰকাৰৰ এগৰাকী কৰ্মচাৰীৰ যিকোনো নিৰ্ভৰশীল পিতৃ-মাতৃ নাইবা নিৰ্ভৰশীল দিব্যাংগ সহোদৰে অভিযোগ পঞ্জীয়ন কৰিব পাৰে।

**(৫) এই আইনৰ অধীনত বিবেচিত নিৰ্ভৰশীল পিতৃ-মাতৃ/অভিভাৱক কোন?**

ৰাজ্য চৰকাৰৰ এগৰাকী কৰ্মচাৰীৰ নিৰ্ভৰশীল অভিভাৱকসকল হৈছে—মাতৃ/পিতৃ নাইবা দুয়োগৰাকী, আৰু তেওঁ/তেওঁলোক পুত্ৰ/কন্যাৰ ওপৰত এইবাবেই নিৰ্ভৰশীল কিয়নো সেইসকল পিতৃ-মাতৃৰ নিজাকৈ উপাৰ্জনৰ পৰ্যাপ্ত উৎসৰ অভাৱ।

(৬) **এই আইনৰ অধীনত বিবেচিত নিৰ্ভৰশীল দিব্যাংগ সহোদৰসকল কোন?**

নিৰ্ভৰশীল দিব্যাংগ সহোদৰ হৈছে— কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰকাশিত "অক্ষম লোকৰ অধিকাৰ আইন, **২০১৬** (নং-৪৯, ২০১৬) ৰ ধাৰা 2(s) আৰু 2(t) ৰ অধীনত থকা সংজ্ঞা অনুযায়ী "বিকলাংগ লোক" বা "পৰ্য্যাপ্ত সহায়ৰ প্ৰয়োজন থকা অক্ষম ব্যক্তি" আৰু যিগৰাকী ৰাজ্য চৰকাৰৰ এজন কৰ্মচাৰীৰ অবিবাহিত সহোদৰ (ভাই/ভনী), যাৰ জীৱন ধাৰণৰ বাবে নিজৰ বুলিবলৈ পৰ্যাপ্ত উপাৰ্জনৰ অভাৱ।

(৭) **প্ৰণাম আইনৰ অধীনত দাবী পঞ্জীয়ন কৰাৰ কি কাৰ্য্যপদ্ধতি আছে?**

যিকোনো কৰ্মচাৰীৰ নিৰ্ভৰশীল পিতৃ-মাতৃ বা দিব্যাংগৰ সহোদৰে মনোনীত কৰ্তৃপক্ষক যিকোনো সময়তে প্ৰ-পত্ৰ (এ) (সংলগ্ন-১)ত অভিযোগ পঞ্জীয়ন কৰিব পাৰিব।

(৮) **প্ৰণাম আইনৰ অধীনত মনোনীত কৰ্তৃপক্ষ কোন?**

ৰাজ্য চৰকাৰৰ সকলো সংশ্লিষ্ট আহৰণ আৰু বিতৰণকাৰী বিষয়া যেনে কৰ্মচাৰীসকলে কাম কৰা কাৰ্যালয়ৰ মূৰব্বীক সংশ্লিষ্ট কাৰ্যালয়ৰ কৰ্মচাৰীৰ বাবে মনোনীত কৰ্তৃপক্ষ হিচাপে নিযুক্ত কৰা হয়।

(৯) **প্ৰণাম আইনৰ অধীনত আপীল কৰ্তৃপক্ষ কোন?**

সংমণ্ডলৰ আয়ুক্ত, এক্তিয়াৰৰ অধীনত মনোনীত কৰ্তৃপক্ষৰ কাৰ্যালয় অৱস্থিত, তেওঁক ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে আপীল কৰ্তৃপক্ষ হিচাপে নিযুক্তি দিয়া হয়। দ্বিতীয় আপীল কৰ্তৃপক্ষ হ'ল প্ৰণাম আয়োগ।

(১০) **সংশ্লিষ্ট কৰ্তৃপক্ষই কিমান দিনৰ ভিতৰত ওজৰ-আপত্তিৰ সঁহাৰি জনাব বা সমাধান কৰিব?**

মনোনীত কৰ্তৃপক্ষই ওজৰ-আপত্তিৰ যোগ্যতা সম্পৰ্কে বিবেচনা কৰিব আৰু আবেদন পোৱাৰ ৯০ দিনৰ ভিতৰত গোচৰৰ মীমাংসা কৰিব।

(১১) **প্ৰণাম আয়োগৰ উপাদান কি?**

অসম কৰ্মচাৰী প্ৰণাম আয়োগ গঠিত হ'ব—

(ক) মুখ্য আয়ুক্ত আৰু

(খ) আয়ুক্তসকল, দুজনতকৈ অধিক নহয়, (যিটো প্ৰয়োজন বুলি ভবা হয়)

অসম চৰকাৰে অলপতে তলত উল্লেখিত সদস্যসকলক লৈ প্ৰণাম আয়োগ গঠন কৰিছে।

(১) শ্ৰী ভি বি প্যাৰেলাল, মুখ্য আয়ুক্ত

(২) শ্ৰীমতী যোগবালা বুঢ়াগোহাঁই, আয়ুক্ত

(৩) অধ্যাপিকা অলকা শৰ্মা, আয়ুক্ত

(১২) **আয়োগখন ক'ত অৱস্থিত?**

আয়োগৰ মুখ্য কাৰ্যালয় অসম প্ৰশাসনিক ত্ৰিবুউনেল, পানবজাৰ গুৱাহাটীত অৱস্থিত।

(১৩) **আয়োগৰ ক্ষমতা কি কি?**

- আয়োগে এজন কৰ্মচাৰীৰ সেই পিতৃ-মাতৃ/দিব্যাংগ সহোদৰৰ যিকোনো ওজৰ-আপত্তি গ্ৰহণ আৰু অনুসন্ধান কৰিব পৰাৰ

ক্ষমতা থাকিব—

(ক) যিগৰাকী ব্যক্তিয়ে মনোনীত কর্তৃপক্ষ/আপীল কর্তৃপক্ষৰ ওচৰত আবেদন কৰাত বিফল হৈছে,

(খ) এই আইনৰ অধীনত নির্দিষ্ট কৰা সময়সীমাৰ ভিতৰত এজন কর্মচাৰীৰ দৰমহাৰ অংশ বিতৰণত অনুমোদনৰ বাবে কৰা আবেদনত যিগৰাকী ব্যক্তিয়ে সঁহাৰি পোৱা নাই,

- এই বিষয়টোত তদন্তৰ যুক্তিযুক্ততা থকা বুলি অনুভৱ কৰিলে আয়োগে নিজাববীয়াকৈ তদন্ত প্রক্রিয়া আৰম্ভ কৰাৰ ক্ষমতা থাকিব,
- এই ধাৰাৰ অধীনত কোনো বিষয়ৰ তদন্ত অনুষ্ঠিত কৰাৰ সময়ত নিম্নলিখিত বিষয়সমূহৰ ক্ষেত্ৰত এই আয়োগ কোড অব চিভিল প্রচিডিঅ'ৰ, ১৯০৮ (১৯০৮ৰ ৫)ৰ অধীনত চলা এটা গোচৰৰ বিচাৰাধীন সময়ত চিভিল কোর্টত ন্যস্ত থকা ক্ষমতাৰ সমতুল ক্ষমতাৰ অধিকাৰী হ'ব, যেনে—

(ক) ব্যক্তিবর্গক উপস্থিতিৰ কাৰণে চমন জাৰি কৰি তেওঁলোকক মৌখিক বা লিখিত সাক্ষ্য দিয়া আৰু নথিপত্ৰ বা সামগ্রী ইত্যাদি উপস্থাপনত বাধ্য কৰা,

(খ) নথি-পত্ৰৰ সন্ধান আৰু নিৰীক্ষণৰ প্রয়োজনীয়তা ,

(গ) শপতনামাত সাক্ষ্য প্রমাণ গ্রহণ কৰা,

(ঘ) কোনো আদালত বা কার্যালয়ৰ পৰা যিকোনো ৰাজহুৱা নথি বা প্রতিলিপিসমূহ অধিগ্রহণ কৰা,

(ঙ) সাক্ষী বা নথি-পত্ৰ পৰীক্ষাৰ বাবে বা অন্যান্য দাবী কৰা বিষয়ৰ বাবে চমন জাৰি কৰা,

- এই আইনৰ অধীনত যিকোনো অভিযোগৰ তদন্ত কৰাৰ সময়ত আয়োগে এই আইনৰ লগত সংগতি থকা আৰু কর্তৃপক্ষৰ অধীনত থকা যিকোনো নথি পৰীক্ষা কৰিব পাৰে আৰু এই ধৰণৰ কোনো নথি কোনোক্ষেত্ৰতে কর্তৃপক্ষই নিদিয়াকৈ ৰাখিব নোৱাৰে।

(১৪) **পিতৃ-মাতৃ/দিব্যাংগ সহোদৰ/কর্মচাৰীৰ বাবে কিবা আপীল ব্যৱস্থা আছেনে?**

নির্ভৰশীল পিতৃ-মাতৃ/দিব্যাংগ সহোদৰ বা কর্মচাৰীয়ে মনোনীত কর্তৃপক্ষৰ ওচৰত সমাধানৰ বাবে অভিযোগ পঞ্জীয়ন কৰিব। যদি মনোনীত কর্তৃপক্ষৰ আদেশত সন্তুষ্ট নহয়, তেনেহ'লে এনে নির্ভৰশীল পিতৃ-মাতৃ/দিব্যাংগ সহোদৰ/কর্মচাৰীয়ে এই আদেশ পোৱাৰ পৰা এমাহৰ ভিতৰত আপীল কর্তৃপক্ষৰ ওচৰত এনে আদেশৰ বিৰুদ্ধে আপীল কৰিব পাৰিব। আপীলৰ দুটা পর্যায় আছে। প্রথমটো আপীল কর্তৃপক্ষ হ'ল সংশ্লিষ্ট সংমণ্ডলৰ সংমণ্ডল আয়ুক্ত আৰু দ্বিতীয়টো আপীল কর্তৃপক্ষ হ'ল প্রণাম আয়োগ। আপীল কর্তৃপক্ষৰ সিদ্ধান্তৰ লগত সহমত নহ'লে নির্ভৰশীল পিতৃ-মাতৃ/দিব্যাংগ সহোদৰ/কর্মচাৰীয়ে আবেদনখনৰ ওপৰত প্রস্তাৱ গ্রহণৰ বাবে প্রণাম আয়োগৰ ওচৰলৈ প্রেৰণ কৰিব পাৰে।

(১৫) **প্রণাম আইনৰ অধীনত ক্ষতিপূৰণৰ পৰিমাণ কিমান হ'ব পাৰে?**

নির্ভৰশীল পিতৃ-মাতৃ/দিব্যাংগ সহোদৰক কর্মচাৰীগৰাকীৰ মুঠ মাহেকীয়া দৰমহাৰ ১০% লৈকে ক্ষতিপূৰণৰ দিব পৰা যাব। অৱশ্যে, বিশেষ ক্ষেত্ৰত ক্ষতিপূৰণৰ পৰিমাণ কর্মচাৰীগৰাকীৰ মুঠ মাহেকীয়া দৰমহাৰ ১৫% লৈকে হ'ব পাৰে।

**প্ৰ-পত্ৰ ‘ক’**
**[উপ-বিধি (১) বিধি ৬]**
**অসম কৰ্মচাৰীৰ প্ৰণাম বিধি, ২০১৮**

# আবেদন-পত্ৰ

১। আবেদনকাৰীৰ নাম : ...........................................................................................

বনাম

২। বিৰোধী ব্যক্তিৰ নাম (কৰ্মচাৰী) : ...........................................................................................

পদবী : ...........................................................................................

কাৰ্যালয়ৰ ঠিকনা : ...........................................................................................

৩। আবেদনৰ কাৰণ ঃ

(ওপৰত উল্লেখিত ব্যক্তিসকলে আবেদনকাৰীগৰাকীক যথোচিত গুৰুত্ব দিয়া নাই আৰু প্ৰতিপালো কৰা নাই)

৪। বিৱৰণসমূহ ঃ

(ক) সকলো উৎসৰ পৰা আহৰণ কৰা ব্যক্তিগত মাহেকীয়া আয়,

(খ) দিব্যাংগ সহোদৰসকলৰ ক্ষেত্ৰত আবেদনপত্ৰৰ লগত শাৰিৰীক অক্ষমতাৰ প্ৰমাণ-পত্ৰ সংলগ্ন কৰি দিব লাগিব,

(গ) কৰ্মচাৰীৰ দ্বাৰা বৰ্তমানে তেওঁলোকলৈ আগবঢ়াই থকা আৰ্থিক আৰু অন্যান্য সহায়,

*আবেদনকাৰীৰ স্বাক্ষৰ*

**সত্যাসত্য নিৰূপণ**

মই ইয়াৰ দ্বাৰা ওপৰত উল্লেখিত তথ্যসমূহ মোৰ জ্ঞান-বিশ্বাস অনুসাৰে সত্য বুলি প্ৰতিপন্ন কৰি তলত মোৰ স্বাক্ষৰ প্ৰদান কৰিলো।

*আবেদনকাৰীৰ স্বাক্ষৰ*

# The Assam Employees' Parent Responsibility and Norms for Accountability and Monitoring (PRANAM) Act, 2017

**Introduction:**

Indian Society inherits rich ideals and values from ancient times and parents are equated with Gods. The respect and service to one's parents is the central obligation for the children in the family system and most of the families in the state, by and large, adhere to the same.

However, with the emerging modern society, increased mobility and growth of nuclear families, instances of negligence of dependent parents by their children are being reported and rekindling the family values needs enforceable norms.

The principles which govern the pension and family pension do amply expound that the family of an employee is his integral part to lay claim over his salary and retirement benefits. The dependent parents of the employee are inseparable part of such family system and it is therefore, felt expedient to provide for an enforceable morality through a certain norms, to begin with, among those employees who do neglect their dependent parents and divyang siblings so each and every employee would lead as a role model in the society.

In view of above, in his budget speech for the year 2017-18, the Hon'ble Finance Minister, Dr. Himanta Biswa Sarma, Assam, announced at para.111 as follows:

"……………….Services to cater to this increasing population of the elderly will need to be provided not only by institutional sources but also through familial structures. To initiate the process, we would like to provide a legislature cover to such familial responsibilities. The employees working in the government/government undertakings/state PSUs/employees of companies will be expected to take care of their respective elderly parents in a desirable manner. In case of non-compliance, the proposed legislation would mandate that a certain portion of the salary of such employees would be deducted to be given to their respective parents. The Social Welfare Department will bring the necessary legislation in this regard during the course of the year. I think this would be a worthy tribute to our elderly population."

**Salient Features of the Act:**

The main features of the Act are as follows:

- All employees of the State Government shall be governed by the Act. Further, the state Government can also notify to cover the employees of any organisation functioning in the State.
- Each employee of the State Government is responsible to take care of the parents/divyang siblings and any deviation in this regard will be dealt by the provisions of this Act.

- Both or either of the dependent parents or dependent divyang siblings of an employee may apply seeking apportioned salary of the employee to be paid to them directly by the Drawing and Disbursing Officer on monthly basis.
- State Government is empowered to notify a Designated Authority and Appellate Authority in each of the department for considering the application seeking apportioned salary of an employee, received from the aggrieved dependent parents/divyang siblings. They need to dispose off the applications within specified time limits failing which they are liable for penalties. The Second appellate authority is the PRANAM Commission at the State Headquarter.
- It has been proposed that the apportioned amount granted shall not exceed 10% of the monthly gross salary being paid to the employee and not exceeding 15% in exceptional cases.
- These authorities shall exercise quasi-judicial authority while considering the applications.
- The State Government has constituted the Assam Employees PRANAM Commission with the powers and functions under the Act to enquire into the complaints in this respect. The Commission shall be highest authority and all its orders are final and binding on all authorities under the Act.

On the 26$^{th}$ of February 2019, the PRANAM Commission has been notified vide No. FEB.297/2017/Pt-I/101 Dated - Dispur the 18$^{th}$ February, 2019. (A copy of the PRANAM Act and the Rules to the Act are appended herewith)

# Frequently Asked Questions

***(This is meant as a ready reckoner for the beneficiaries and they are advised to Act/Rules)***

1. ***What is the PRANAM Act?***

   **'The Assam Employees' Parent Responsibility And Norms for Accountability and Monitoring Act, 2017**, in short called as "the Assam Employees' PRANAM Act, 2017" provides for accountability of employees of the State Government/Government Undertakings/ State PSUs/a Government Company as defined in the Company's Act 1956(as amended till date) and any other organisation or body, whether incorporated or not, in which the State Government has a controlling interest in the share or other capital thereof; or directly or through its nominee has substantial control over its working), in the State of Assam in taking care of their parents and *divyang* siblings.

2. ***Why is there a need for the PRANAM Act?***

   This Act is needed to take care of the dependent parents by their children and divyang siblings. Along with strengthening the family system, this Act will enable employees to act as role models by taking responsibility for their dependent parents and divyang siblings.

3. ***Who are covered under the PRANAM Act?***

   This Act strives to benefit ***Dependent Divyang Sibling****s and* ***Dependent Parent***s. The Act obligates every employees working in Government/Government Undertakings/State PSUs/ a Government Company as defined in the Company's Act 1956(as amended till date) and any other organisation or body, whether incorporated or not, in which the State Government has a controlling interest in the share or other capital thereof; or directly or through its nominee has substantial control over its working), in the State of Assam, to take care of the elderly parents and divyang siblings.

4. ***Who can register a complaint under the PRANAM Act?***

   Any Dependent Parents or Dependent Divyang Siblings of a State Government employee can register a complaint under the PRANAM Act.

5. ***Who are considered as the Dependent Parents under the Act?***

   Dependent Parents are the mother/father or both of a State Government employee, and dependent on his/her/their son/daughter because such parents do not have adequate source of income of their own.

6. ***Who are considered as the Dependent Divyang Siblings under the Act?***

   Dependent Divyang Sibling is a '*person with disability*' or '*person with disability having high support needs*' and who is an unmarried sibling (brother/sister) of a State Government employee and do not have adequate income of their own to support their livelihood.

7. ***What is the procedure for registering a complaint under the PRANAM Act?***

The dependent parent or Divyang sibling of any employee can register a complaint to the Designated Authority at any time to be made in Form 'A' (Annexure I).

8. ***Who is the Designated Authority under the PRANAM Act?***

All concerned Drawing and Disbursing Officers of the State Government, i.e. the head of the establishment in which the employee is working, are appointed as the Designated Authority for the employees working in their respective establishment.

9. ***Who is the Appellate Authority under the PRANAM Act?***

As the Appellate Authority, the Commissioner of the Division, within whose jurisdiction the Office of the Designated Authority is located, is appointed as the Appellate Authority for State Government employees. The second Appellate Authority is the PRANAM Commission.

10. ***Within how many days will the complaint be responded to or resolved by the concerned authority?***

The Designated Authority shall decide on the eligibility of a claim and dispose off the application **within ninety days** of the date of receipt of an application.

11. ***What is the composition of the PRANAM Commission?***

The **Assam State Employees PRANAM Commission** shall consist of—

(a) Chief Commissioner, and

(b) Commissioners, not exceeding two, (as may be deemed necessary.)

The Government of Assam has recently constituted the PRANAM Commission constituting of the following members:

1. Shri V.B Pyarelal, IAS, Chief Commissioner
2. Smti. Jugabala Buragohain, Commissioner
3. Prof. Alaka Sarma, Commissioner

12. ***Where is the Commission located?***

The Headquarters of the Commission is located in Assam Administrative Tribunal, Guwahati.

13. ***What are the powers of the Commission?***

***(I)*** The Commission will have the power to receive and inquire into any complaint from the parents/divyang siblings of an employee,—

(a) who has been unable to submit a request to the Designated Authority/Appellate Authority,

(b) who has not been given a response to a request for sanctioning apportioned salary of an employee within the time limit specified under this Act;

(II) The Commission has the power to suo moto initiate an inquiry when it is satisfied that there are reasonable grounds to inquire into the matter;

(III) The Commission shall, while inquiring into any matter under this section, have the same powers as are vested in a civil court while trying a suit under the Code of Civil Procedure, 1908 (5 of 1908), in respect of the following matters, namely:—

(a) summoning and enforcing the attendance of persons and compel them to give oral or written evidence on oath and to produce the documents or things;

(b) requiring the discovery and inspection of documents;

(c) receiving evidence on affidavit;

(d) requisitioning any public record or copies thereof from any court or office;

(e) issuing summons for examination of witnesses or documents; and any other matter which may be prescribed.

(IV) The Commission may, during the inquiry of any complaint under this Act, examine any record to which this Act applies and which is under the control of the authority, and no such record may be withheld from it on any grounds.

***14. Is there an appeal mechanism for the parents/Divyang siblings/employees?***

The employee or the dependent parents/divyang siblings shall register a complaint to the Designated Authority for resolution. If the orders of the Designated Authority is not found satisfactory, then such employee/dependent parents/divyang siblings may prefer an appeal before the Appellate Authority against such orders **within one month** from the date of receipt of such order.

There are two levels of Appeal, the first Appellate Authority being the Commissioner of the concerned Division and the second Appellate Authority is the PRANAM Commission.

The appeal may be escalated to the PRANAM Commission for resolution by the employee/dependent parents/divyang siblings if not satisfied with the decision of the Appellate Authority

***15. How much compensation is eligible under the PRANAM Act?***

The compensation amount to be paid monthly to the dependant parents/Divyang siblings can be upto 10% of the monthly gross salary being paid to the employee(s). However, in exceptional cases, it may go upto 15% of the monthly gross salary of the employee.

*Annexure I*

# FORM-A

**[Sub rule (1) of Rule 6]**

**The Assam Employees' PRANAM Rules, 2018**

**APPLICATION FORM**

1. **NAME OF THE APPLICANT** :-

   *VRS.*

2. **NAME OF THE OPPOSITE PARTY (EMPLOYEE(S)) :-**

   Designation……………………………………………………………………………………

   Office address……………………………………………………………………………….

3. **CAUSE OF THE APPLICATION :-**

   (The above respondents are neither maintaining the applicant properly, nor taking any care of the applicant.)

4. **PARTICULARS:**

   (i) The personal monthly income from all sources; ----

   (ii) In respect of *Divyang* Siblings, the application should be accompanied with a disability certificate; ----

   (iii) Support, financial and otherwise, is presently given to them by the employee; ----

**Signature of the applicant**

**Verification**

I do hereby verify that the statements made above by me are true to the best of my knowledge and belief and in verification thereof I put my signature hereunder:

**Signature of applicant**

PRANAM



Design & Production : APS Advertising Pvt. Ltd, Guwahati